RNI REGN.
epap
Portal :
e-mail :

# অসম আদিত্য

১০৫ ■ ৭ ব'হাগ, ১৯৪৮ শক ■ মঙলবাৰ, ২১ এপ্ৰিল, ২০২৬ ■ Asom Aditya, Dibrugarh, Tuesday, April 21, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰক


### ব'হাগী অনুষ্ঠানৰ আনন্দ ল'লে উচ্চ শিক্ষা সঞ্চালকালয়ৰ উপ-সঞ্চালক, বিত্তীয় উপদেষ্টায়ো

## কানৈৰ বাকৰিৰ ৰঙালীত মতলীয়া সঞ্চালক পমী বৰুৱা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২০ এপ্ৰিল ঃ** 'কানৈ মহাবিদ্যালয়ৰ আতিথ্যই মোক আপ্লুত কৰিছে। মহাবিদ্যালয়ৰ বাকৰিত বিহু উপভোগ কৰি সঁচাই অভিভূত হৈছোঁ'। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ উদ্যোগত, অসম কলেজ শিক্ষক সংস্থা, কানৈ মহাবিদ্যালয় গোট আৰু অসম কলেজ কৰ্মচাৰী সংস্থা, কানৈ মহাবিদ্যালয় গোটৰ সহযোগত অনুষ্ঠিত ব'হাগ বিহু উদ্‌যাপন অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি উচ্চ শিক্ষা সঞ্চালকালয়, অসমৰ সঞ্চালক পমী বৰুৱাই আজি এইদৰে কয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক এনে এটি সুন্দৰ অনুষ্ঠান আয়োজন কৰাৰ বাবে ভূঁয়সী প্ৰশংসা কৰি সঞ্চালকগৰাকীয়ে কয়, অধ্যক্ষ ড০ শশীকান্ত শইকীয়াৰ বলিষ্ঠ নেতৃত্বত মহাবিদ্যালয়খনে উত্তৰণৰ উচ্চ শিখৰত আগুৱাই গৈছে। মহাবিদ্যালয়ৰ মুখ্য প্ৰৱেশ দ্বাৰৰ পৰা আৰতি কৰি গায়ন-বায়ন আৰু এন চি চিৰ কেডেটে উষ্ম আদৰণি জনাই অনা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি উচ্চ শিক্ষা সঞ্চালকালয়, অসমৰ উপ-সঞ্চালক সুমিত্ৰা দেৱে কয়, ডিব্ৰুগড়ৰ মহাবিদ্যালয়সমূহৰ মাজত এক বুজাব নোৱাৰা মিলা-প্ৰীতি আছে। তেওঁ অসমৰ প্ৰতিখন মহাবিদ্যালয়ে এনেধৰণৰ আদৰ্শ গ্ৰহণ কৰিব লাগে বুলি মত প্ৰকাশ কৰে। তেওঁ কানৈ মহাবিদ্যালয়ৰ উষ্ম আদৰণিক সঁচাকৈয়ে বিৰল বুলি মত প্ৰকাশ কৰি কয়, প্ৰতিকূল বতৰকো নেওচি অনুষ্ঠিত কৰা ব'হগ বিহু উদ্‌যাপনে তেওঁলোকৰ মনত চিৰদিনৰ বাবে এক মধুৰ স্মৃতি হৈ ৰ'ব। অধ্যাপক ড০ মৃদুল শৰ্মাই আঁত ধৰা অনুষ্ঠানটিত উপস্থিত থাকি উচ্চ শিক্ষা সঞ্চালকালয়, অসমৰ বিত্তীয় উপদেষ্টা ৰাজীৱ কুমাৰ ডেকাই কয়, কানৈ মহাবিদ্যালয়ৰ নান্দনিক পৰিৱেশে মোক অতিশয় আপ্লুত কৰিছে। তেওঁ মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে সকলো অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীক এনে এটি সুন্দৰ অনুষ্ঠান আয়োজন কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰি কয়, ৮০ বছৰ গৰকা অসমৰ অন্যতম আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান কানৈ মহাবিদ্যালয়ৰ ইতিহাসত আজিৰ দিনটো এক সোণালী ইতিহাস হৈ ৰ'ব। উচ্চ শিক্ষা সঞ্চালকালয়ৰ তিনিগৰাকীকৈ উচ্চ পদস্থ বিষয়াই একেলগে একেখন মঞ্চতে উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰাতো মহাবিদ্যালয়খনৰ বাবে অতি গৌৰৱৰ কথা। অনুষ্ঠানৰ আৰম্ভণিতে কানৈ মহাবিদ্যালয়ৰ উদ্যোগত আৰু স্পীয়েৰৰ সহযোগত আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত হোৱা উত্তৰ-পূৱ শৈক্ষিক সন্মিলনত উচ্চ শিক্ষা সঞ্চালকালয়, অসমৰ তিনিওগৰাকী জ্যেষ্ঠ বিষয়াই ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পোন্ধৰখনৰো অধিক উচ্চমানৰ শিক্ষানুষ্ঠান তথা বিশ্ববিদ্যালয়ৰ প্ৰদৰ্শনী অনুষ্ঠান পৰিদৰ্শন কৰাৰ লগতে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলৰ লগত



মত বিনিময় কৰে। আজি অনুষ্ঠিত ব'হাগ বিহু উদ্‌যাপন অনুষ্ঠানত পূৰ্বাশা বৰাৰ সত্ৰীয়া নৃত্য, ৰুক্মিণী দেৱী কানৈ ছাত্ৰীনিৱাসৰ ছাত্ৰীসকলৰ বিহু নৃত্য, বিহু প্ৰশিক্ষক জিতেন দাসৰ নেতৃত্বত বিহু দলৰ বিহু প্ৰদৰ্শন, এন এল বি চিটি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত হুঁচৰিয়ে উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানত কানৈ মহাবদ্যািলয়ৰ কৰ্তৃপক্ষৰ তৰফৰ পৰা তিনিওগৰাকী বিষয়াকে ফুলাম গামোছা, সম্বৰ্ধনা পত্ৰৰ লগতে উপহাৰৰ টোপোলাৰে উষ্ম সম্বৰ্ধনা জনোৱাৰ লগতে মহাবিদ্যালয়ৰ শিক্ষক গোট আৰু কৰ্মচাৰী গোটৰ তৰফৰ পৰাও সম্বৰ্ধনা জ্ঞাপন কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত এন এল বি চিটি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সঞ্জীৱানন্দ বুঢ়াগোহাঁই, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ অনুপজ্যোতি ভৰালী আৰু কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়দেৱ গগৈৰ লগতে ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে অধ্যাপক ড০ মৃদুল শৰ্মাই।